# অসমীয়া লোকসাহিত্য

ড০ চন্দনা ডেকা
অসমীয়া বিভাগ,
ড০ বি.কু.বি. মহাবিদ্যালয়,পুৰণিগুদাম

**লোকসাহিত্যঃ**

- লোকসাহিত্য অনাখৰী মানুহৰ মুখে মুখে প্ৰচলিত

- সকলো জাতিৰে সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতে মৌখিক গীত-মাত,প্ৰৱচন,সাধুকথা থকাৰ প্ৰমান পোৱা যায়।

- ৰচকৰ উদ্ভৱ কাল নথকাত মৌখিক সাহিত্যৰ উদ্ভৱ কাল নিৰ্ণয় কৰা টান।

**অসমীয়া লোকসাহিত্যঃ**

সত্যেন্দ্রনাথ শৰ্মাই *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্তত* অসমীয়া লোকসাহিত্যক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি–

ক) লোকগীত

খ) ফকৰা–যোজনা আৰু প্ৰৱচন

গ) সাধুকথা

**লোকগীতঃ**

❖ **অনুষ্ঠানমূলক–** ( বিহুগীত,আইনাম,বিয়ানাম,ভেকুলী বিয়াৰ গীত, কাতিপূজাৰ গীত,বাঁশপূজাৰ গীত,মনসাপূজাৰ গীত,হোলী অনুষ্ঠানৰ গীত ইত্যাদি। )

উদাহৰণস্বৰূপে– **বিহুগীত**

*সজাত বন্দী হল সজাৰে মইনা,শালত বন্দী হল হাতী।*
*মকৰা জালতে মোৰ ধন বন্দী হল , টোপনি নাহে মোৰ ৰাতি।*

❖ **আখ্যানমূলক –**

১) বুৰঞ্জীমূলক ( বৰফুকনৰ গীত ,হৰদত্ত–বীৰদত্তৰ গীত, মণিৰাম দেৱানৰ গীত,জয়মতী কুঁৱৰীৰ গীত ইত্যাদি। )

২) জনশ্রুতিমূলক ( ফুলকোঁৱৰৰ গীত, জনাগাভৰুৰ গীত, কমলা কুঁৱৰীৰ গীত,ৰাধিকা শান্তিৰ গীত ইত্যাদি। )

৩) কাল্পনিক ( শান্তি বাৰমাহীৰ গীত, কন্যা বাৰমাহী গীত, মধুমতীৰ গীত ইত্যাদি। )

❖ **বিবিধ বিষয়ক গীত–** ( নিচুকণি গীত,নাও খেলোৱা গীত, বৰশী বোৱা গীত, মহখেদা গীত, নাঙেলী গীত, হাউখেলৰ গীত ইত্যাদি। )

## ফকৰা-যোজনা আৰু প্ৰৱচনঃ

- ফকৰা-যোজনা আৰু প্ৰৱচনবোৰত সাংসাৰিক অভিজ্ঞতালব্ধ জ্ঞানমূলক নীতি, বিভিন্ন সময়ত প্ৰচলিত জীৱনচৰ্য,আদৰ্শবাদ, জাতিৰ মনস্তত্ত্ব,আচাৰ-ব্যৱহাৰ আদিৰ বিষয়ে পোৱা যায়। উদাহৰণস্বৰূপে-

*দহৰ জ্ঞান , একৰ বাণী।*

*সাগৰৰ মৌ, পৰ্বতৰ ঢৌ।*<br>
*বাপেকৰ তিৰী নাই, পুতেকৰ সাত বৌ।*

*নাই ৰঙামাটি,নাই গুৱাহাটী।*

*মাজ মূৰত নাই চুলি, গিৰিয়েকে মাতে কেশমতী বুলি।*

*এনেও কাণী তেনেও কাণী,শাকত দিওঁ ভালকৈ পানী।*

**সাধুকথাঃ**

- সাথুকথাৰ স্থিৰ ৰূপ নাই, সাধু কওঁতাই নিজৰ অভিৰুচি আৰু সামৰ্থ অনুসৰি বৰ্ণনা কৰে।
- সাথুকথাই সমাজৰ বিভিন্ন স্তৰৰ আভাস দিয়ে।
- সাথুকথাত নৈতিক জীৱনৰ আদৰ্শও পৰোক্ষভাৱে দাঙি ধৰে।
- সাথুকথাত প্ৰাচীনতাৰ চিনাকী পোৱা যায়। যেনেঃ- তেজীমলা, তুলা আৰু তেজা, চিলনী জীয়েক,বাৰী পুতেকৰ সাধু ইত্যাদি।

.........................................